# 2024

## ASSAMESE (AEC)

Paper : AEC0100102

**( যোগাযোগমূলক অসমীয়া—I )**

*Full Marks* : 30

*Time* : 1½ hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ বস্তুনিষ্ঠ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া : ১×৫=৫

(ক) অসমীয়া ভাষাৰ বৰ্ণমালা দুখনৰ মুঠ আখৰৰ সংখ্যা কিমান?

(খ) 'মগনীয়া' শব্দটোত কি প্ৰত্যয় যোগ হৈছে, ভাঙি দেখুওৱা।

(গ) অসমীয়া ভাষাৰ অৰ্ধস্বৰ এটা উল্লেখ কৰা।

(ঘ) বৰ্গীকৃত বিজ্ঞাপনৰ এটা বৈশিষ্ট্য লিখা।

(ঙ) প্ৰতিবেদনৰ এটা প্ৰকাৰ উল্লেখ কৰা।

২। অতি চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) চন্দ্ৰবিন্দু (ঁ)-ৰ দুটা ব্যৱহাৰ লিখা।

(খ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা দুটা উপসৰ্গ উল্লেখ কৰি দুটা শব্দ গঠন কৰা।

(গ) ক'মা (,) ব্যৱহাৰেৰে দুটা বাক্য সাজা।

(ঘ) বৰ্ণমালাত থকা অথচ সুকীয়া উচ্চাৰণ নথকা দুটা আখৰ উল্লেখ কৰি দুটা শব্দ লিখা।

(ঙ) বাৰ্তালাপত অংশগ্ৰহণকাৰীসকলক কথা কোৱা আৰু শুনাৰ ভিত্তিত কি বুলি অভিহিত কৰা হয়?

(চ) বাতৰি প্ৰতিবেদন লিখন আৰু বাতৰি লিখনৰ মাজৰ দুটা মূল পাৰ্থক্য উল্লেখ কৰা।

(ছ) বাতৰি প্ৰতিবেদনৰ মুকলি বাক্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(জ) নিবিদা লিখনত বৰ্ণনাত্মক ভাষা ব্যৱহাৰৰ দুটা উদাহৰণ দিয়া।

(ঝ) আনুষ্ঠানিক আবেদনৰ মূল অংশৰ আৰম্ভণিতে ('সন্মানীয় ছাৰ/বাইদেউ'ৰ পিছত) সাধাৰণতে ব্যৱহাৰ হোৱা দুটা বাক্যাংশ লিখা।

(ঞ) প্ৰতিবেদনৰ নিৰ্বাহী সাৰাংশৰ দুটা গুৰুত্ব লিখা।

৩। চমুকৈ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) তলৰ শব্দসমূহেৰে একোটাকৈ বাক্য সাজি দেখুওৱা :

হাত–হাট ; পানী–পাণি ; কথা–কঠা ; ল'ৰা–লৰা ; মহ–ম'হ।

(খ) বাৰ্তালাপ কৰোঁতে কোনকেইটা বিষয়ত সহযোগিতাৰ আৱশ্যক হয়? চমুকৈ লিখা।

(গ) অসমীয়া ভাষাৰ শব্দ বিভক্তি সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ব্যৱহৃত ম'বাইল ফোন বিক্ৰীৰ বাবে এটা বৰ্গীকৃত বিজ্ঞাপন তৈয়াৰ কৰা।

(ঙ) তোমাৰ অঞ্চলত আগবঢ়োৱা বান সাহায্য সম্পৰ্কে এটা বাতৰি প্ৰতিবেদন যুগুত কৰা।

(চ) প্ৰতিবেদন প্ৰস্তুতকৰণত কোনবোৰ বিষয়ত গুৰুত্ব দিব লাগে? চমুকৈ লিখা।

★★★